ৰাজনীতি

৩০ নৱেম্বৰৰ পৰা সংসদৰ অধিৱেশন আহ্বানৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ

৩০ নৱেম্বৰৰ পৰা সংসদৰ দুয়োখন সদন আহ্বানৰ প্ৰস্তাৱ কেন্দ্ৰীয় চৰকাৰৰ। ৩ ডিচেম্বৰত অধিৱেশনৰ সামৰণি পৰাৰ সম্ভাৱনা।

প্ৰকাশ: ২৬ নৱেম্বৰ ২০২৬, নিশা ৭:৫৭



Parliament

নতুন দিল্লী, ২৬ নৱেম্বৰ: সংসদৰ শীতকালীন অধিৱেশনৰ সময়সূচীক লৈ চলি থকা চৰ্চাৰ মাজতে ৩০ নৱেম্বৰৰ পৰা ৩ ডিচেম্বৰলৈ সংসদৰ দুয়োখন সদন পুনৰ আহ্বান কৰাৰ প্ৰস্তাৱ আগবঢ়াইছে কেন্দ্ৰীয় চৰকাৰে। বৃহস্পতিবাৰে কেন্দ্ৰীয় সংসদীয় পৰিক্ৰমা মন্ত্ৰী কিৰেন ৰিজিজুৱে এই কথা প্ৰকাশ কৰে। চৰকাৰী কাম-কাজ সম্পন্ন কৰাৰ উদ্দেশ্যে এই সময়ছোৱাত সংসদৰ অধিৱেশন অনুষ্ঠিত কৰাৰ পৰিকল্পনা কৰা হৈছে বুলি তেওঁ জনায়।

সামাজিক মাধ্যমত প্ৰকাশ কৰা এটা বাৰ্তাত কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে কয় যে লোকসভাৰ অধ্যক্ষ আৰু ৰাজ্যসভাৰ অধ্যক্ষলৈ দুয়োখন সদন আহ্বান কৰাৰ বাবে অনুৰোধ জনোৱা হৈছে। প্ৰস্তাৱ অনুসৰি, ৩০ নৱেম্বৰত লোকসভা আৰু ২ ডিচেম্বৰত ৰাজ্যসভাৰ বৈঠক অনুষ্ঠিত হ'ব পাৰে। সংসদীয় কাম-কাজৰ প্ৰয়োজনীয়তাৰ ওপৰত নিৰ্ভৰ

কৰি ৩ ডিচেম্বৰত অধিৱেশনৰ সামৰণি পৰাৰ সম্ভাৱনা আছে।

ইয়াৰ এদিন পূর্বে প্রধানমন্ত্রী নৰেন্দ্র মোদীয়ে মন্ত্রীসভাৰ সদস্যসকলক ১৫ ডিচেম্বৰৰ পূর্বে পৰৱর্তী সংসদীয় অধিৱেশনৰ সকলো প্রস্তুতি সম্পূর্ণ কৰিবলৈ নির্দেশ দিছিল। লগতে অধিৱেশনৰ পূর্বে বিদেশ ভ্রমণ নকৰিবলৈও তেওঁ মন্ত্রীসকলক পৰামর্শ দিয়ে। প্রধানমন্ত্রীৰ এই নির্দেশনাৰ পাছতে চৰকাৰে সংসদ পুনৰ আহ্বানৰ প্রস্তাৱ আগবঢ়ায়।

ইফালে শীতকালীন অধিৱেশন আহ্বান কৰাত চৰকাৰে পলম কৰা বুলি ইতিমধ্যে বিৰোধী দলসমূহে সমালোচনা কৰি আহিছে। সংসদৰ পৰৱর্তী অধিৱেশনত সংবিধানৰ ১৩১সংখ্যক সংশোধনী বিধেয়ক, ২০২৬ উত্থাপন হোৱাৰ সম্ভাৱনাক লৈয়ো চর্চা চলিছে। এই বিধেয়কখনত মহিলা সংৰক্ষণ কার্যকৰী কৰাৰ সৈতে লোকসভা আৰু বিধানসভাৰ সমষ্টি পুনৰ নির্ধাৰণৰ বিষয়টো সংযোগ কৰাৰ প্রস্তাৱ আছে।

উল্লেখ্য যে যোৱা ১৭ এপ্রিলত সংসদৰ বিশেষ অধিৱেশনত এই বিধেয়কখনে প্রয়োজনীয় দুই-তৃতীয়াংশ সংখ্যাগৰিষ্ঠতা লাভ কৰাত ব্যর্থ হৈছিল। সেই সময়ত ভোটদান কৰা ৫২৮গৰাকী সাংসদৰ ভিতৰত ২৯৮গৰাকীয়ে বিধেয়কখনৰ সপক্ষে আৰু ২৩০গৰাকীয়ে বিপক্ষে ভোট দিছিল। বিধেয়কখন গৃহীত হ'বলৈ ৩৫২টা ভোটৰ প্রয়োজন আছিল। সেয়েহে প্রস্তাৱিত অধিৱেশনত চৰকাৰে এই বিধেয়ক সন্দর্ভত কি পদক্ষেপ গ্রহণ কৰে, তাক লৈ ৰাজনৈতিক মহলৰ দৃষ্টি নিবদ্ধ হৈছে।

এই খবৰটো NewzNow-ত প্রথমে প্রকাশ হৈছিল। সম্পূর্ণ খবৰ, ভিডিঅ' আৰু আপডেটৰ বাবে চাওক:
newznow.in/news/6736/parliament-session-proposed-from-november-30